# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 14-07-2024
**Time :** 0705 hrs

*Assamese Morning Bulletin*

# HEADLINES

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে, বিগত ৩-৪ বছৰত ৮ কোটি নতুন কৰ্ম সংস্থাপন সৃষ্টি হৈছে আৰু ইয়াৰ ফলত কৰ্ম সংস্থাপনহীনতাৰ বিষয়ে অপপ্ৰচাৰ চলোৱাসকলৰ মুখ বন্ধ হৈছে।

২। প্ৰধানমন্ত্ৰীয়ে কৈছে যে, সংবাদ মাধ্যমে জনকল্যাণকামী উদ্যমসমূহৰ প্ৰসাৰত চৰকাৰক সহায় কৰা উচিত।

৩। কেন্দ্ৰীয় খাদ্য প্ৰসংস্কৰণ উদ্যোগ মন্ত্ৰী ছিৰাগ পাছোৱানে কালি খাদ্য আৰু ইয়াৰ আনুসংগিক ক্ষেত্ৰসমূহত কৰ্মৰত কোম্পানীসমূহৰ সৈতে হোৱা এখন বৈঠকত অধ্যক্ষতা কৰে।

৪। ভাৰত আৰু জিম্বাব'ৱেৰ মাজৰ টি-টুৱেণ্টি ক্ৰিকেট শৃংখলাৰ পঞ্চম তথা অন্তিমখন খেল আজি হাৰাৰেত অনুষ্ঠিত হ'ব।

*আৰু*

৫। চেক গণৰাজ্যৰ বাৰবোৰা ক্ৰাইজিকোভাই উইম্বলডন টেনিছ প্ৰতিযোগিতাৰ মহিলাৰ ছিংগলছৰ খিতাপ দখল কৰিছে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে, বিগত ৩-৪ বছৰত ৮ কোটি নতুন কৰ্ম সংস্থাপন সৃষ্টি হৈছে আৰু ইয়াৰ ফলত কৰ্ম সংস্থাপনহীনতাৰ বিষয়ে অপপ্ৰচাৰ চলোৱাসকলৰ মুখ বন্ধ হৈছে। ভাৰতীয় ৰিজাৰ্ভ বেংক আৰ বি আইত কৰ্মসংস্থাপন সম্পৰ্কীয় এখন প্ৰতিবেদনৰ উদ্ধৃতি দি শ্ৰীমোদীয়ে কয় যে, দেশত দক্ষতা বিকাশ আৰু কৰ্মসংস্থাপনৰ আৱশ্যকতা আছে আৰু চৰকাৰে এই দিশত কাম কৰি আছে। মুম্বাইৰ গোৰেগাঁৱত কালি ২৯ হাজাৰ কোটি টকা ব্যয় সাপেক্ষে পথ, ৰে'লৱে আৰু বন্দৰ খণ্ডৰ ভালেমান প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰি শ্ৰীমোদীয়ে এইদৰে প্ৰকাশ কৰে। তেওঁ কয় যে, অপপ্ৰচাৰ চলোৱাসকল প্ৰকৃততে বিনিয়োগ, আন্তঃগাঁথনিৰ উন্নয়ন আৰু দেশৰ বিকাশৰ শত্ৰু। এন ডি এ চৰকাৰে সুস্থিৰতা আৰু বিকাশত অগ্ৰাধিকাৰ দি যাব বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে কয় যে, ক্ষুদ্ৰ আৰু বৃহৎ বিনিয়োগকাৰীসকলে এন ডি এৰ তৃতীয় কাৰ্যকালক উৎসাহেৰে আদৰণি জনাইছে। তেওঁ কয় যে, গৌৰৱময় ইতিহাসেৰে সমৃদ্ধ মহাৰাষ্ট্ৰৰ ভৱিষ্যত সমৃদ্ধিৰ সপোন সাৰ্থক কৰাৰ সামৰ্থ্য আছে। শ্ৰীমোদীয়ে কয় যে, মহাৰাষ্ট্ৰত উদ্যোগ, কৃষি আৰু বিত্ত খণ্ডত যথেষ্ট প্ৰগতি হৈছে আৰু ৰাজ্যখনে ভাৰতবৰ্ষক বিকশিত ৰাষ্ট্ৰৰূপে গঢ়ি তোলাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব পাৰে। প্ৰধানমন্ত্ৰীয়ে কয় যে, তেওঁ মহাৰাষ্ট্ৰক বিশ্বৰ বৃহৎ বিত্তীয় কেন্দ্ৰ আৰু গোলকীয় বিত্ত প্ৰযুক্তি ৰাজধানী ৰূপে গঢ়ি তোলাৰ লক্ষ্য স্থিৰ কৰিছে। মুম্বাই আৰু ইয়াৰ চৌপাশৰ এলেকাসমূহত আৰম্ভ কৰা আন্তঃগাঁথনি প্ৰকল্পসমূহে যোগাযোগ ব্যৱস্থা সুদৃঢ় কৰি তুলিব আৰু মহিলাৰ নিৰাপত্তা

সুনিশ্চিত হ'ব বুলি প্ৰধানমন্ত্ৰীয়ে প্ৰকাশ কৰে। তেওঁ কয় যে, কেন্দ্ৰীয় চৰকাৰে পালঘৰৰ দহানুত ৰধাৱন বন্দৰত অনুমোদন জনাইছে। ৭৬ হাজাৰ কোটি টকা ব্যয় সাপেক্ষ এই প্ৰকল্পৰ জৰিয়তে ১০ লাখ কৰ্মসংস্থাপন সৃষ্টি হ'ব বুলি প্ৰধানমন্ত্ৰীয়ে প্ৰকাশ কৰে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে, সংবাদ মাধ্যমে জনকল্যাণকাৰী উদ্যমসমূহৰ প্ৰসাৰত চৰকাৰক সহায় কৰা উচিত। পৰিৱেশ সংৰক্ষণৰ বাবে আৰম্ভ কৰা **এজোপা গছ মাতৃৰ নামত** উদ্যমৰ উদাহৰণ দি শ্ৰীমোদীয়ে কয় যে, গোলকীয় পৰ্যায়ত এই উদ্যমৰ ভূয়সী প্ৰশংসা কৰা হৈছে। সংবাদ মাধ্যমে এই উদ্যমক গণ আন্দোলনত পৰিণত কৰাত সহায় কৰিব পাৰে বুলি প্ৰধানমন্ত্ৰীয়ে প্ৰকাশ কৰে। পৰৱৰ্তী ২৫ বছৰত ভাৰতবৰ্ষক বিকশিত ৰাষ্ট্ৰৰূপে গঢ়ি তোলাৰ যাত্ৰাত বাতৰিকাকত আৰু আলোচনীসমূহৰ ভূমিকাত আলোকপাত কৰি শ্ৰীমোদীয়ে কয় যে, সংবাদমাধ্যমে জনসাধাৰণক তেওঁলোকৰ শক্তিৰ বিষয়ে সজাগ কৰি তোলে। মুম্বাইৰ বান্দ্ৰা কুৰ্লা চৌহদত কালি আই এছ টাৱাৰ মুকলি কৰাৰ পাছত এটা সমাৰেশক সম্বোধন কৰি প্ৰধানমন্ত্ৰীয়ে এইদৰে প্ৰকাশ কৰে। তেওঁ কয় যে, যিহেতু সম্প্ৰতি প্ৰায়বোৰ সংবাদগোষ্ঠীৰে ডিজিটীয় সংস্কৰণ উপলভ্য সেয়েহে তেওঁলোকে আন্তঃৰাষ্ট্ৰীয় ভাষাৰ সংস্কৰণ প্ৰৱৰ্তন কৰি ভাৰতীয় প্ৰেক্ষাপটক গোলকীয় পৰ্যায়লৈ লৈ যোৱাৰ চেষ্টা কৰা উচিত।

এই অনুষ্ঠানত মহাৰাষ্ট্ৰৰ ৰাজ্যপাল ৰমেশ বেইছ, মুখ্যমন্ত্ৰী একনাথ সিন্দে, উপ মুখ্যমন্ত্ৰী দেৱেন্দ্ৰ ফাড়নবিচ, অজিত পাৱাৰ আৰু আই এন এছৰ অধ্যক্ষ ৰাকেশ শৰ্মা উপস্থিত থাকে। বান্দ্ৰা কুৰ্লা চৌহদস্থিত আই এন এছ সচিবালয়ত সংবাদ মাধ্যম আৰু ডাঙৰ প্ৰশাসন গোষ্ঠীসমূহক কাৰ্যালয় আৱণ্টন কৰা হৈছে।

ooooo

ভাৰতে অহা ২০ৰ পৰা ২৪ নৱেম্বৰলৈ গোৱাত প্ৰথম বিশ্ব দৃশ্য শ্ৰাব্য মনোৰঞ্জন সন্মিলন **ৱেভছ** আয়োজন কৰিব। দিল্লীত কালি গোৱাৰ মুখ্যমন্ত্ৰী প্ৰমোদ সাৱন্তে কয় যে, ভাৰত বিশ্বৰ সবাতোকৈ বৃহৎ চলচ্চিত্ৰ নিৰ্মাণকাৰী ৰাষ্ট্ৰসমূহৰ অন্যতম। তেওঁ কয় যে, ৱেভছ সন্মিলন দেশৰ মিডিয়া আৰু মনোৰঞ্জন উদ্যোগৰ ভৱিষ্যৎ গঢ় দিয়াৰ দিশৰ পৰা গুৰুত্বপূৰ্ণ অনুষ্ঠানৰূপে পৰিগণিত হ'ব।

এই উপলক্ষে তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে কয় যে, ৱেভছ দেশৰ মনোৰঞ্জন উদ্যোগৰ বিকাশৰ গুৰুত্বপূৰ্ণ মাইলৰ খুঁটিৰূপে পৰিগণিত হ'ব। মিডিয়া আৰু মনোৰঞ্জন উদ্যোগত অধিক কৰ্মসংস্থাপন সৃষ্টিত গুৰুত্ব আৰোপ কৰা হৈছে বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

ooooo

কেন্দ্ৰীয় খাদ্য প্ৰসংস্কৰণ উদ্যোগ মন্ত্ৰী ছিৰাগ পাছোৱানে কালি খাদ্য আৰু ইয়াৰ আনুসংগিক ক্ষেত্ৰসমূহত কৰ্মৰত কোম্পানীসমূহৰ সৈতে হোৱা এখন বৈঠকত অধ্যক্ষতা কৰে। এই আলোচনাত কোম্পানীসমূহৰ ভৱিষ্যত পৰিকল্পনাৰ বিষয়েও স্থান পায়। ইয়াৰ লগতে নতুন দিল্লীৰ ভাৰত মণ্ডপমত অহা ১৯ৰ পৰা ২২ ছেপ্টেম্বৰলৈ হ'বলগীয়া **বিশ্ব খাদ্য ভাৰত ২০২৪** শীৰ্ষক অনুষ্ঠানৰ বাবে খাদ্য প্ৰসংস্কৰণ উদ্যোগ মন্ত্ৰালয়ৰ সৈতে অংশীদাৰিত্বৰ সুযোগ আৰু সম্ভাৱনাৰ বিষয়েও আলোচনা কৰা হয়। ছিৰাগ পাছোৱানে আলোচনাত অংশগ্ৰহণ কৰি অংশীদাৰসকলৰ ক্ষেত্ৰত খাদ্য প্ৰসংস্কৰণ উদ্যোগ মন্ত্ৰালয়ৰ বিশেষ ভূমিকাৰ কথা উল্লেখ কৰাৰ লগতে খণ্ডটোত থকা অপাৰ সম্ভাৱনা তথা সুযোগৰ বিষয়েও প্ৰকাশ কৰে। তেওঁ **বিশ্ব খাদ্য ভাৰত ২০২৪**ত অংশগ্ৰহণ কৰিবলৈ

সকলো কোম্পানীকে আমন্ত্ৰণ জনায়। তেওঁ লগতে বিশ্ব খাদ্য ভাৰতৰ সমান্তৰালকৈ অহা ২০ আৰু ২১ ছেপ্তেম্বৰত এফ এছ্ এছ্ এ আই অৰ্থাৎ ভাৰতৰ খাদ্য সুৰক্ষা আৰু মান প্ৰাধিকৰণে আয়োজন কৰিবলগীয়া বিশ্ব খাদ্য নিয়ামক শীৰ্ষ সন্মিলনৰ বিষয়েও উল্লেখ কৰে।

০০০০০

পাকিস্তানৰ ৰাজধানী ইছলামাদৰ এখন আদালতে দেশখনৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী ইমৰান খান আৰু তেওঁৰ পত্নীক অবৈধ বিবাহ গোচৰত দোষমুক্ত ঘোষণা কৰিছে। আদালতখনে শ্ৰীখানৰ বিৰুদ্ধে থকা অনা ইছলামীয় বিবাহ সম্পৰ্কীয় অভিযোগ খাৰিজ কৰিছে। ইমৰান খানৰ বিবাহৰ আইনী বৈধতাক প্ৰত্যাহ্বান জনাই দাখিল কৰা এখন আবেদনৰ শুনানি গ্ৰহণ কৰি ন্যায়ালয়ে কালি এইদৰে ৰায় দিয়ে। ন্যায়ালয়ে ফেব্ৰুৱাৰীত বুছৰা খানে পূৰ্বৰ বিবাহৰ পৰা বিচ্ছেদ আৰু ইমৰান খানৰ সৈতে বিবাহৰ মাজত আৱশ্যকীয় ব্যৱধানৰ নিয়ম পালন কৰাত ব্যৰ্থ হোৱাৰ বাবে ইছলামীয় আইন অনুসৰি দোষী সাব্যস্ত কৰিছে। ইপিনে, অনা ইছলামীয় বিবাহ গোচৰত দোষমুক্ত হোৱাৰ ঠিক পাছতে নেচনেল একাউণ্টেবিলিটি ব্যুৰুই তেওঁলোকক টোছখানা দুৰ্নীতি গোচৰত পুনৰ গ্ৰেপ্তাৰ কৰে। পাকিস্তান তেহৰিক-ই-ইনছাফ পাৰ্টীৰ প্ৰতিষ্ঠাপকগৰাকী যোৱা বছৰ আগষ্টৰ পৰা কাৰাগাৰত আছে।

০০০০০

ভাৰত আৰু জিম্বাব্ৱেৰ মাজৰ টি-টুৱেণ্টি ক্ৰিকেট শৃংখলাৰ পঞ্চম তথা অন্তিমখন খেল আজি হাৰাৰে স্পৰ্টছ ক্লাৱত অনুষ্ঠিত হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি বিয়লি চাৰে ৪ বজাত আৰম্ভ হ'ব। ভাৰতে ইতিমধ্যে শৃংখলাত ৩-১ ফলাফলেৰে অপ্ৰতিৰোধ্য অগ্ৰগতি লাভ কৰিছে।

ভাৰতে কালি একেখন ষ্টেডিয়ামত অনুষ্ঠিত শৃংখলাৰ চতুৰ্থখন খেলত ঘৰুৱা দল জিম্বাব্ৱেক ১০ উইকেটত পৰাস্ত কৰে। খেলখনত জিম্বাব্ৱে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৭টা উইকেট হেৰুৱাই ১৫২ ৰান সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত ভাৰতে ১৫ অভাৰ আৰু দুটা বলত এটাও উইকেট নেহেৰুৱাকৈ ১৫৬ ৰান কৰিবলৈ সমৰ্থ হয়। ভাৰতৰ হৈ অপেনাৰ যশস্বী জয়ছোৱালে ৯৩ আৰু শুভমন গিলে ৫৮ ৰান কৰি আউট নোহোৱাকৈ থাকে। যশস্বী জয়ছোৱালক মেন অব দ্যা মেচ হিচাপে ঘোষণা কৰা হয়।

০০০০০

সাতবাৰৰ চেম্পিয়ন ন'ভাক জ'ক'ভিচ আজি উইম্বলডন টেনিছ প্ৰতিযোগিতাৰ পুৰুষৰ ছিংগলৰ ফাইনেলত যোৱাবাৰৰ চেম্পিয়ন কাৰ্লোছ অল্‌কাৰাজ্‌ৰ সন্মুখীন হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি সন্ধিয়া চাৰে ৬ বজাত আৰম্ভ হ'ব।

ইপিনে, মিক্সড ডাবলছৰ ফাইনেলত আজি পোলেণ্ডৰ জন জেলেনস্কি আৰু টাইৱানৰ ছু ৱেই ছিহৰ যুটীটো মেক্সিকোৰ ছেণ্টিয়াগো গোঞ্জাল্বেজ আৰু গুলীয়ানা আল্মোছৰ মুখামুখি হ'ব।

ই'ফালে, চেক গণৰাজ্যৰ বাৰবোৰা ক্ৰাইজিকোভাই কালি ইটালীৰ জেছমিন পাঅ'লিনিক ৬-২, ২-৬, ৬-৪ ছেটত পৰাস্ত কৰি প্ৰথমবাৰৰ বাবে উইম্বলডন টেনিছ প্ৰতিযোগিতাৰ মহিলাৰ ছিংগলছৰ খিতাপ দখল কৰে।

০০০০০

ভাৰতে কালি পাকিস্তানক পৰাস্ত কৰি বিশ্ব ক্ৰিকেট চেম্পিয়নশ্বিপ অব্ লিজেণ্ডছৰ খিতাপ দখল কৰে। ইংলেণ্ডৰ বাৰ্মিংহামত অনুষ্ঠিত প্ৰতিযোগিতাৰ ফাইনেলত অধিনায়ক যুৱৰাজ সিং নেতৃত্বাধীন ভাৰতীয় দলটো ৫টা উইকেট বাকী থকা অৱস্থাত জয়ৰ লক্ষ্যত উপনীত হয়। অম্বাটি ৰাইডুৰ অৰ্ধ শতকে ভাৰতীয় দলটোক জয়ৰ দিশে

আগুৱাই নিয়াৰ লগতে গুৰ্কিৰাট মানৰ ৩৪ ৰান, য়ুছুফ পাঠানৰ ১৬টা বলত ৩০ ৰানে দলৰ জয় নিশ্চিত কৰে। পাকিস্তানৰ হৈ ছোহেইল টনবীৰে তিনিটা উইকেট দখল কৰে। পাকিস্তানে প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ২০ অভাৰত ৬টা উইকেট হেৰুৱাই ১৫৭ ৰান কৰে। শ্বোৱেব মালিকে পাকিস্তানৰ হৈ সৰ্বাধিক ৩৬টা বলত ৪১ ৰান কৰে। ভাৰতৰ হৈ অনুৰীট সিঙে তিনিটা উইকেট দখল কৰাৰ বিপৰীতে বিনয় কুমাৰ, ইৰফান পাঠান আৰু পৱন নেগীয়ে এটাকৈ উইকেট দখল কৰে। অম্বাতী ৰাইডুক প্লেয়াৰ অব দ্যা মেচ হিচাপে ঘোষণা কৰাৰ বিপৰীতে য়ুছুফ পাঠানক প্লেয়াৰ অব দ্যা ছিৰিজ হিচাপে ঘোষণা কৰা হয়।

ooooo

**সমাপ্ত**